ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৭৮ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Hindu Adoptions And Maintenance Act, 1956

(Act No. 78 of 1956)

[As on the 1st April, 1990].

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬ (১৯৫৬ ৰ ৭৮ নং) ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ ৰ পৃষ্ঠা ৪ ৰ পৰা ১৩ ত প্ৰকাশিত হৈছিল ।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ ৰ খণ্ড (ক) ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব ।

## PREFACE

This edition of the, Hindu Adoptions and Maintenance Act, 1956 (78 of 1956) as on the 1st April, 1990 contains the authorised translation of the Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on pages 4 to 13.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi,
Date 12-10-90

V.S. RAMA DEVI,
Secretary to the Govt. of India.

# হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬

## প্ৰথম অধ্যায়

### প্ৰাৰম্ভিক

ধাৰা সমূহ

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ।
২। অধিনিয়মৰ প্ৰয়োগ।
৩। পৰিভাষা।
৪। অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ।

## দ্বিতীয় অধ্যায়

### দত্তক গ্ৰহণ

৫। এই অধ্যায়ৰ দ্বাৰা দত্তক গ্ৰহণ বিনিয়মিত হব।
৬। বিধিমান্য দত্তক গ্ৰহণৰ আৱশ্যকতা সমূহ।
৭। এজন পুৰুষ হিন্দুৰ দত্তক গ্ৰহণ কৰাৰ সামৰ্থ্য।
৮। এগৰাকী তিৰোতা হিন্দুৰ দত্তক গ্ৰহণ কৰাৰ সামৰ্থ্য।
৯। দত্তক দিয়াৰ বাবে সক্ষম ব্যক্তি সকল।
১০। কেনে ব্যক্তিক দত্তক গ্ৰহণ কৰা যাব পাৰে।
১১। বিধিমান্য দত্তক গ্ৰহণৰ বাবে আন চৰ্ত সমূহ।
১২। দত্তক গ্ৰহণৰ ফল।
১৩। দত্তক গ্ৰহণ কৰা পিতৃ-মাতৃৰ সম্পত্তি ব্যয়ন কৰাৰ অধিকাৰ।
১৪। নিৰ্দিষ্ট কিছুমান ক্ষেত্ৰত দত্তক গ্ৰহণকাৰী মাতৃ নিৰ্ধাৰণ।
১৫। বিধিমান্য দত্তক গ্ৰহণ বন্দ কৰা নহব।
১৬। দত্তক সম্বন্ধীয় পঞ্জীবদ্ধ দলিল সম্পৰ্কে ধাৰণা।
১৭। নিৰ্দিষ্ট কিছুমান ধনৰাশি প্ৰদানত নিষেধ।

## তৃতীয় অধ্যায়

### ভৰণ-পোষণ

১৮। পত্নীৰ ভৰণ-পোষণ।
১৯। বিধৱা বোৱাৰীৰ ভৰণ-পোষণ।
২০। সন্তান-সন্ততি আৰু বয়স্ক পিতৃ-মাতৃৰ ভৰণ-পোষণ।
২১। আশ্ৰিতৰ পৰিভাষা নিৰূপণ।
২২। আশ্ৰিতৰ ভৰণ-পোষণ।
২৩। ভৰণ-পোষণৰ পৰিমাণ।
২৪। ভৰণ-পোষণৰ দাবীদাৰ হিন্দু হব লাগিব।
২৫। পৰিস্থিতিৰ সলনি হলে ভৰণ-পোষণৰ পৰিমাণৰ পৰিবৰ্তন হব পাৰে।
২৬। ঋণৰ অগ্ৰাধিকাৰ।
২৭। ভৰণ-পোষণ কেতিয়া ভাৰ হব।
২৮। ভৰণ-পোষণৰ অধিকাৰত সম্পত্তি অন্তৰণৰ প্ৰভাৱ।

## চতুৰ্থ অধ্যায়

### নিৰসন আৰু ব্যাবৃত্তি

২৯। নিৰসন।
৩০। ব্যাবৃত্তি।

# হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৭৮ নং)

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

হিন্দুৰ মাজত দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ সম্বন্ধীয় বিধি সংশোধন আৰু সংহিতাবদ্ধ কৰাৰ অৰ্থে এখন অধিনিয়ম।

[২১ ডিচেম্বৰ, ১৯৫৬]

ভাৰত গণৰাজ্যৰ সপ্তম বছৰত সংসদৰ দ্বাৰা নিম্নলিখিত ধৰণে **অধিনিয়মিত কৰা হ'ল :—**

## প্ৰথম অধ্যায়

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম আৰু বিস্তাৰ।

১। (১) এই অধিনিয়ম হিন্দু দত্তক গ্ৰহণ আৰু ভৰণ-পোষণ অধিনিয়ম, ১৯৫৬ বুলি অভিহিত হব।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰততে হব।

অধিনিয়মৰ প্ৰয়োগ।

২। (১) এই অধিনিয়ম প্ৰয়োগ হব—

(ক) যি কোনো এজন ব্যক্তিৰ ওপৰত— যিজন হিন্দু ধৰ্মৰ যি কোনো ৰূপ বা বিকাশ অনুসৰি ধৰ্মত হিন্দু হয় আৰু ইয়াৰ অন্তৰ্গত বিৰাশৈৱ, লিঙ্গায়ত বা ব্ৰাহ্ম, প্ৰাৰ্থনা বা আৰ্য সমাজৰ অনুগামীও হব ;

(খ) যিকোনো এজন ব্যক্তিৰ ওপৰত— যিজন বৌদ্ধ, জৈন বা শিখ ধৰ্মাৱলম্বী হয় ; আৰু

(গ) যি কোনো এজন ব্যক্তিৰ ওপৰত— যিজন ধৰ্মতঃ মুছলমান, খৃষ্টিয়ান, পাৰ্চি বা ইহুদী নহয়, যদিহে এইটো প্ৰমাণ কৰিব পৰা নাযায় যে এই অধিনিয়ম পাৰিত নোহোৱাহেঁতেন, এনে কোনো ব্যক্তি এতস্মিন উপৰিস্থিত কোনো বিষয়ৰ সম্পৰ্কত হিন্দুবিধি বা তাৰ অংশ হিচাপে ধৰা কোনো প্ৰথা বা লোকাচাৰৰ দ্বাৰা শাসিত নহলহেঁতেন।

**স্পষ্টীকৰণ**— নিম্নলিখিত ব্যক্তিসকল যথাস্থিতি হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মাৱলম্বী—

(ক) কোনো সন্তান বৈধ বা অবৈধ যাৰ পিতৃ-মাতৃ দুয়োজন হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মাৱলম্বী ;

(খ) কোনো সন্তান, বৈধ বা অবৈধ, যাৰ পিতৃ-মাতৃৰ যি কোনো এজন হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মাৱলম্বী আৰু যাক সেই জনজাতি, সম্প্ৰদায়, গোট বা পৰিয়ালৰ সদস্য হিচাপে ডাঙৰ-দীঘল কৰা হৈছে, যি জনজাতি, সম্প্ৰদায়, গোট বা পৰিয়ালৰ এনে পিতৃ বা মাতৃ সদস্য হয় ; ×××

[1][(খখ) যি কোনো সন্তান, বৈধ বা অবৈধ, যি পিতৃ-মাতৃ উভয়ৰে দ্বাৰা পৰিত্যক্ত বা যাৰ পিতৃত্ব-মাতৃত্ব জনা নাযায় আৰু যাক এই দুয়োটাৰ যিকোনো ক্ষেত্ৰত হিন্দু, বৌদ্ধ, জৈন বা শিখৰ দৰে ডাঙৰ দীঘল কৰা হৈছে ; আৰু]

---

১। ১৯৬২ চনৰ অধিনিয়ম নং ৪৫ৰ ধাৰা ২ৰ দ্বাৰা সংযোজিত।

(গ) কোনো ব্যক্তি যি হিন্দু, বৌদ্ধ, জৈন বা শিখ ধৰ্মলৈ পৰিৱৰ্তিত বা পুনঃ পৰিৱৰ্তিত হৈছে ।

(২) উপধাৰা (১)ত যিকোনো কথা থকা সত্বেও, এই অধিনিয়মত থকা কোনো কথাই সংবিধানৰ ৩৬৬ অনুচ্ছেদৰ (২৫) খণ্ডত অৰ্থ কৰা কোনো অনুসূচিত জনজাতিৰ সদস্যৰ ওপৰত প্ৰয়োগ নহব যদিহে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা যোগে অন্যথা নিৰ্দেশ নিদিয়ে ।

(৩) এই অধিনিয়মৰ যি কোনো অংশত থকা 'হিন্দু' পদৰ অৰ্থ এনে হব যেন ইয়াৰ অন্তৰ্গত এনেকুৱা ব্যক্তি আহিব যি যদিও ধৰ্মতঃ হিন্দু নহয় তথাপিও এই ধাৰাত অন্তৰ্বিষ্ট উপবন্ধ সমূহৰ আধাৰত তেওঁৰ ওপৰত এই অধিনিয়ম প্ৰয়োগ হয় ।

পৰিভাষা ।

৩। এই অধিনিয়মত প্ৰসঙ্গতঃ অন্যথা আৱশ্যক নহলে,—

(ক) 'ৰীতি' আৰু 'লোকাচাৰ' শব্দ দুটাই এনে কোনো নিয়মক বুজাব যি নিয়ম একেৰাহে আৰু সমৰূপে বহুদিন মানি চলাৰ কাৰণে কোনো স্থানীয় ক্ষেত্ৰ, জনজাতি, সম্প্ৰদায়, গোট বা পৰিয়ালত থকা হিন্দু সকলৰ মাজত বিধিৰ বল প্ৰাপ্ত হৈছে :

পৰন্তু যদিহে সেই নিয়ম নিশ্চিত হয় আৰু অযুক্তিকৰ বা লোক নীতিৰ বিৰুদ্ধ নহয় : আৰু

উপৰন্তু যদি এনে কোনো এটা নিয়মৰ প্ৰয়োগ মাত্ৰ এটা পৰিয়ালৰ ক্ষেত্ৰতহে হৈ আছে, সেই পৰিয়ালৰ দ্বাৰা তাক অপ্ৰচলিত কৰিব নালাগিব ;

(খ) 'ভৰণ-পোষণে' অন্তৰ্ভূক্ত কৰে—

(i) সকলো ক্ষেত্ৰতে, আহাৰ, পোচাক, বাসস্থান, শিক্ষা, চিকিত্সা আৰু চিকিত্সীয় পৰিচৰ্যা আৰু চিকিত্সা ব্যৱস্থা ;

(ii) অবিবাহিতা জীয়ৰীৰ ক্ষেত্ৰত তেওঁৰ বিবাহৰ বাবে যুক্তিসঙ্গত আৰু আনুষঙ্গিক খৰছো ইয়াৰ ভিতৰত পৰিব ;

(গ) 'নাবালক' মানে এনে এজন ব্যক্তি, যাৰ বয়স ওঠৰ বছৰ পূৰ হোৱা নাই ।

অধিনিয়মৰ অধ্যাৰোহী প্ৰভাৱ ।

৪। এই অধিনিয়মত অভিব্যক্তভাৱে অন্যথা উপবন্ধিত ব্যতিৰেকে—

(ক) এই অধিনিয়ম প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে থকা হিন্দু বিধিৰ কোনো মূল পাঠ, নিয়ম বা ব্যাখ্যা, অথবা সেই বিধিৰ অংশৰূপে বলবত্ থকা কোনো প্ৰথা বা লোকাচাৰৰ প্ৰভাৱ— যি যি বিষয়ৰ সম্বন্ধত এই অধিনিয়মত উপবন্ধ কৰা হৈছে সেই বিষয়ৰ ওপৰত নাইকিয়া হব ;

(খ) এই অধিনিয়মত সন্নিবিষ্ট কোনো উপবন্ধৰ সৈতে এই অধিনিয়ম প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বলৈ বলবত্ থকা আন যি কোনো বিধি যিমান দূৰ অসঙ্গত হয়, সিমান দূৰ হিন্দু সকলৰ ওপৰত তাৰ প্ৰয়োগ নোহোৱা হব ।

## দ্বিতীয় অধ্যায়

### দত্তক গ্ৰহণ

**এই অধ্যায়ৰ দ্বাৰা দত্তক গ্ৰহণ বিনিয়মিত হব।**

৫। (১) এই অধিনিয়ম প্ৰাৰম্ভৰ পিছত এই অধ্যায়ত সন্নিবিষ্ট উপবন্ধ অনুসৰণ নকৰাকৈ কোনো হিন্দুৱে বা কোনো হিন্দুক দত্তক গ্ৰহণ কৰিব নোৱাৰিব আৰু উক্ত উপবন্ধ উলংঘা কৰি কোনো দত্তক গ্ৰহণ কৰিলে সি বাতিল হব।

(২) এটা বাতিল দত্তক গ্ৰহণে কোনো এটা দত্তক গ্ৰহীতা পৰিয়ালত কোনো এজন ব্যক্তিৰ অনুকূলে এনে কোনো অধিকাৰ সৃষ্টি নকৰে যিটো তেওঁক দত্তক গ্ৰহণ নকৰা হলে তেওঁ অৰ্জিব নোৱাৰিলে-হেঁতেন অথবা তেওঁ জন্ম লাভ কৰা পৰিয়ালতো তেওঁৰ অধিকাৰ সমূহ খৰ্ব নকৰে।

**বিধিমান্য দত্তক গ্ৰহণৰ আৱশ্যকতা সমূহ।**

৬। কোনো দত্তক গ্ৰহণ বিধিমান্য নহব যদিহে—

(i) দত্তক গ্ৰহণ কৰা ব্যক্তিজনৰ দত্তক গ্ৰহণ কৰাৰ বাবে সামৰ্থ্য আৰু অধিকাৰ নাথাকে ;

(ii) দত্তক দিয়া ব্যক্তিজনৰ সামৰ্থ্য নাথাকে ;

(iii) দত্তক-ব্যক্তিজন দত্তকৰূপে লবলৈ যোগ্য নহয় ; আৰু

(iv) এই অধ্যায়ত উল্লেখ কৰা অন্যান্য চৰ্তসমূহৰ অনুক্ৰমে দত্তক গ্ৰহণ কৰা নহয়।

**এজন পুৰুষ হিন্দুৰ দত্তক গ্ৰহণ কৰাৰ সামৰ্থ্য।**

৭। এজন সুস্থমনৰ আৰু নাবালক নোহোৱা হিন্দু পুৰুষৰ পুত্ৰ বা পুত্ৰী হিচাপে দত্তক গ্ৰহণ লবলৈ সামৰ্থ্য থাকিব :

পৰন্তু যদি তেওঁৰ পত্নী জীৱিত আছে আৰু পত্নীয়ে সম্পূৰ্ণ আৰু চূড়ান্ত ভাবে সংসাৰ ত্যাগ কৰা নাই বা হিন্দু হৈ থকা বাদ দিয়া নাই বা কোনো সক্ষম অধিকাৰিতা থকা ন্যায়ালয়ে অসুস্থ মনৰ বুলি ঘোষণা কৰা নাই, তেন্তে তেওঁ পত্নীৰ সন্মতি বিনা দত্তক গ্ৰহণ কৰিব নোৱাৰিব।

**স্পষ্টীকৰণ,**— যদি দত্তক গ্ৰহণৰ সময়ত কোনো ব্যক্তিৰ একাধিক পত্নী জীৱিত থাকে তেনেহলে পূৰ্ববৰ্তী উপবন্ধত বিনিৰ্দিষ্ট কৰা কাৰণৰ বাবে কোনো এগৰাকী পত্নীৰ সন্মতিৰ আৱশ্যক নহলে সকলো কেইগৰাকী পত্নীৰে সন্মতিৰ আৱশ্যক হব।

**এগৰাকী তিৰোতা হিন্দুৰ দত্তক গ্ৰহণ কৰাৰ সামৰ্থ্য।**

৮। যি কোনো হিন্দু তিৰোতাৰ—

(ক) যি সুস্থ মনৰ হয়,

(খ) যি নাবালক নহয়, আৰু

(গ) যি বিবাহিতা নহয়, বা যদি বিবাহিতা, তেওঁৰ বিবাহ ভঙ্গ কৰি দিয়া হৈছে, বা যাৰ পতিৰ মৃত্যু হৈছে বা পতিয়ে সম্পূৰ্ণ আৰু চূড়ান্ত ভাবে সংসাৰ ত্যাগ কৰিছে বা পতি হিন্দু হৈ থকা নাই বা সক্ষম অধিকাৰিতা থকা কোনো ন্যায়ালয়ে তেওঁক অসুস্থ মনৰ বুলি ঘোষণা কৰিছে, এজন পুত্ৰ বা এজনী পুত্ৰীক দত্তক গ্ৰহণ কৰাৰ সামৰ্থ্য থাকিব।

দত্তক দিয়াৰ বাবে সক্ষম ব্যক্তি সকল।

৯ (১) সন্তানৰ পিতৃ বা মাতৃ বা অভিভাৱকৰ বাহিৰে কোনো ব্যক্তিয়ে সন্তানক দত্তক গ্ৰহণৰ বাবে দিবলৈ সক্ষম নহ'ব।

(২) [১][উপধাৰা (৩) আৰু উপধাৰা (৪) ]ৰ উপবন্ধৰ অধ্যধীনে যদি পিতৃ জীৱিত থাকে তেনেহলে তেওঁৰহে দত্তক গ্ৰহণৰ বাবে দিবলৈ অধিকাৰ থাকিব, কিন্তু এনে অধিকাৰ মাতৃৰ সম্মতি বিনা প্ৰয়োগ কৰিব নোৱাৰিব ,যদিহে মাতৃয়ে সম্পূৰ্ণ আৰু চূড়ান্ত ভাবে সংসাৰ ত্যাগ কৰা নাই অথবা হিন্দু হৈ থকা বাদ দিয়া নাই অথবা কোনো সক্ষম অধিকাৰিতা থকা ন্যায়ালয়ে অসুস্থ মনৰ বুলি ঘোষণা কৰা নাই।

(৩) মাতৃয়ে সন্তানক দত্তক গ্ৰহণৰ বাবে দিব পাৰিব, যদিহে সন্তানৰ পিতৃৰ মৃত্যু হৈছে বা তেওঁ সম্পূৰ্ণ আৰু চূড়ান্ত ভাৱে সংসাৰ ত্যাগ কৰিছে অথবা তেওঁ হিন্দু হৈ থকা নাই বা কোনো সক্ষম অধিকাৰিতা থকা ন্যায়ালয়ৰ দ্বাৰা তেওঁক অসুস্থ মনৰ বুলি ঘোষণা কৰা হৈছে।

[১][(৪) যি ক্ষেত্ৰত পিতৃ-মাতৃ উভয়ৰে মৃত্যু হৈছে অথবা উভয়ে সম্পূৰ্ণ আৰু চূড়ান্ত ভাৱে সংসাৰ ত্যাগ কৰিছে বা সন্তানক পৰিত্যাগ কৰিছে অথবা সক্ষম অধিকাৰিতা থকা ন্যায়ালয়ৰ দ্বাৰা উভয়কে অসুস্থ মনৰ বুলি ঘোষণা কৰা হৈছে বা যি ক্ষেত্ৰত সন্তানৰ পিতৃ-মাতৃ অজ্ঞাত, তেনে ক্ষেত্ৰত সন্তানৰ অভিভাৱকে ন্যায়ালয়ৰ পূৰ্ব অনুমতি ক্ৰমে তেনে সন্তানক দত্তক গ্ৰহণৰ বাবে কোনো ব্যক্তিক দিব পাৰে আৰু অভিভাৱকে নিজেও লব পাৰে।]

(৫) উপধাৰা (৪) ৰ অধীনে এজন অভিভাৱকক অনুমতি দিয়াৰ পূৰ্বে ন্যায়ালয়ে এইবুলি সন্তুষ্ট হব লাগিব যে সন্তানৰ বয়স আৰু বোধ-শক্তিৰ প্ৰতি লক্ষ্য ৰাখি দত্তক দিয়াৰ সম্বন্ধত শিশুৰ ইচ্ছাক উচিত বিবেচনা কৰি সেই দত্তক সন্তানৰ কল্যাণৰ হকে হব, আৰু দত্তক গ্ৰহণৰ প্ৰতিদান স্বৰূপে ন্যায়ালয়ে মঞ্জুৰ কৰা কোনো ধনৰাশি বা পুৰস্কাৰৰ বাহিৰে অনুমতিৰ বাবে আবেদনকাৰীয়ে আন কোনো ধনৰাশি বা পুৰস্কাৰ গ্ৰহণ কৰা বা গ্ৰহণ কৰিবলৈ সম্মত হোৱা নাই অথবা আন কোনো ব্যক্তিয়ে আবেদনকাৰীক তেনে কোনো ধনৰাশি বা পুৰস্কাৰ দিয়া বা দিবলৈ সম্মত হোৱা নাই।

স্পষ্টীকৰণ :— এই ধাৰাৰ প্ৰয়োজনৰ বাবে—

(i) 'পিতৃ' আৰু 'মাতৃ' শব্দই দত্তক গ্ৰহণকাৰী পিতৃক আৰু দত্তক গ্ৰহণকাৰী মাতৃক অন্তৰ্ভুক্ত নকৰে :XXX ২

৩(iক) 'অভিভাৱক' মানে এনে ব্যক্তিক বুজাব যি সন্তানৰ শৰীৰৰ বা শৰীৰ আৰু সম্পত্তি উভয়ৰে তত্ত্বাৱধান লয় আৰু এই পদে অন্তৰ্ভুক্ত কৰিব—

(ক) সন্তানৰ পিতৃ বা মাতৃয়ে ইচ্ছাপত্ৰৰ দ্বাৰা নিযুক্ত কৰা অভি-ভাৱকক, আৰু

(খ) 'ন্যায়ালয়ে' নিযুক্ত বা ঘোষণা কৰা অভিভাৱক ; আৰু

(ii) 'ন্যায়ালয়' মানে এনে নগৰ দেৱানী ন্যায়ালয় বা জিলা ন্যায়ালয়ক বুজাব যাৰ অধিকাৰিতাৰ স্থানীয় সীমাৰ ভিতৰত দত্তক গ্ৰহণ কৰিবলগীয়া সন্তান সাধাৰণতে বাস কৰে।

---

১। ১৯৬২ চনৰ অধিনিয়ম নং ৪৫ৰ ধাৰা ৩ৰ দ্বাৰা প্ৰতিস্থাপিত।
২। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা লোপ কৰা হৈছে।
৩। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

কেনে [illegible]ৰ দত্তক গ্ৰহণ কৰা যাব পাৰে।

১০। নিম্ন লিখিত চৰ্ত সমূহ পূৰণ নহলে কোনো ব্যক্তি দত্তক গ্ৰহণৰ বাবে যোগ্য নহব, অৰ্থাৎ :—

(i) তেওঁ হিন্দু নহলে ;

(ii) তেওঁক ইতিমধ্যে দত্তক গ্ৰহণ কৰা হোৱা নাই ;

(iii) তেওঁৰ বিবাহ হোৱা নাই, যদিহে পক্ষগণৰ ওপৰত প্ৰযোজ্য প্ৰথা বা লোকাচাৰে বিবাহিত ব্যক্তিগণক দত্তক গ্ৰহণ কৰাৰ বাবে অনুমতি নিদিয়ে ;

(iv) তেওঁৰ বয়স পোন্ধৰ বছৰ পাৰ হোৱা নাই, যদিহে পক্ষগণৰ ওপৰত প্ৰযোজ্য প্ৰথা বা লোকাচাৰে পোন্ধৰ বছৰ পাৰ হোৱা ব্যক্তি-গণকো দত্তক গ্ৰহণ কৰাৰ বাবে অনুমতি নিদিয়ে।

বিধিমান্য দত্তক গ্ৰহণৰ বাবে আন চৰ্তসমূহ।

১১। প্ৰত্যেক দত্তক গ্ৰহণতে নিম্নলিখিত চৰ্তসমূহ পালন কৰিবই লাগিবঃ—

(i) যদি এজন পুত্ৰক দত্তক গ্ৰহণ কৰা হয়, তেনেহলে যাৰ দ্বাৰা দত্তক গ্ৰহণ কৰা হয় সেই পিতৃ বা মাতৃৰ কোনো হিন্দু পুত্ৰ বা পুত্ৰৰ পুত্ৰ বা পুত্ৰৰ পুত্ৰৰ পুত্ৰ (লাগিলে বৈধ ৰক্ত-সম্বন্ধৰ দ্বাৰাই হওক বা দত্তক গ্ৰহণৰ দ্বাৰাই হওক) দত্তক গ্ৰহণ কৰা সময়ত জীৱিত থাকিব নালাগিব ;

(ii) যদি এজনী পুত্ৰীক দত্তক গ্ৰহণ কৰা হয়, তেনেহলে যাৰ দ্বাৰা দত্তক গ্ৰহণ কৰা হয় সেই পিতৃ বা মাতৃৰ কোনো হিন্দু পুত্ৰী বা পুত্ৰৰ পুত্ৰী (লাগিলে বৈধ ৰক্ত-সম্বন্ধৰ দ্বাৰাই হওক বা দত্তক গ্ৰহণৰ দ্বাৰাই হওক) দত্তক গ্ৰহণ কৰা সময়ত জীৱিত থাকিব নালাগিব ;

(iii) যদি দত্তক গ্ৰহণ কোনো পুৰুষৰ দ্বাৰা কৰা হয় আৰু যাক দত্তক গ্ৰহণ কৰে, তেওঁ তিৰোতা হয়, তেন্তে দত্তক গ্ৰহণ কৰা পিতৃ দত্তক গ্ৰহণ কৰিবলগীয়া ব্যক্তিতকৈ বয়সত অন্ততঃ একৈশ বছৰ ডাঙৰ হব লাগিব ;

(iv) যদি দত্তক গ্ৰহণ কোনো স্ত্ৰীৰ দ্বাৰা কৰা হয় আৰু যাক দত্তক গ্ৰহণ কৰিব তেওঁ পুৰুষ হয়, তেন্তে দত্তক গ্ৰহণ কৰা মাতৃ, দত্তক গ্ৰহণ কৰিবলগীয়া ব্যক্তিতকৈ বয়সত অন্ততঃ একৈশ বছৰ ডাঙৰ হব লাগিব ;

(v) একেজন সন্তানক একে সময়তে দুজন বা ততোধিক ব্যক্তিয়ে দত্তক গ্ৰহণ কৰিব নোৱাৰিব ;

(vi) যি সন্তানক দত্তক গ্ৰহণ কৰিব সেই সন্তানক পিতৃ-মাতৃ বা সংশ্লিষ্ট অভিভাৱকে বা তেওঁলোকৰ কৰ্তৃত্বৰ অধীনে সেই সন্তান যি পৰিয়ালত জন্ম হয় সেই পৰিয়ালৰ পৰা ১ [বা পৰিত্যক্ত সন্তান বা পিতৃ-মাতৃৰ অজ্ঞাত সন্তানৰ ক্ষেত্ৰত সেই সন্তান ডাঙৰ দীঘল হোৱা স্থান বা পৰিয়ালৰ পৰা] দত্তক গ্ৰহণ কৰা পৰিয়াললৈ হস্তান্তৰ কৰাৰ অভিপ্ৰায়েৰে বস্তুতঃ দত্তক দান আৰু দত্তক গ্ৰহণ কৰিব লাগিব ঃ

পৰন্তু, দত্তক গ্ৰহণৰ বিধিমান্যতাৰ বাবে দত্ত-হোম সম্পাদনৰ আৱশ্যক নহব।

---

১। ১৯৬২ ৰ অধিনিয়ম নং ৪৫ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃ স্থাপিত।

দত্তক গ্ৰহণৰ ফল।

১২। এটা দত্তক সন্তানক দত্তক গ্ৰহণৰ তাৰিখৰ পৰা সকলো প্ৰয়োজনৰ বাবে দত্তক গ্ৰহণ কৰা পিতৃ বা মাতৃৰ সন্তান বুলি গণ্য কৰা হব আৰু এনে তাৰিখৰ পৰা সন্তানটো জন্ম পোৱা পৰিয়ালৰ লগত থকা তেওঁৰ সকলো বন্ধন ছেদ হোৱা বুলি আৰু দত্তক গ্ৰহণ কৰা পৰিয়ালত দত্তক গ্ৰহণৰ দ্বাৰা সৃষ্টি হোৱা সম্বন্ধৰ দ্বাৰা প্ৰতিস্থাপিত হোৱা বুলি গণ্য কৰা হব ঃ

পৰন্তু,

(ক) সন্তানটোৱে এনে কোনো ব্যক্তিক বিবাহ কৰিব নোৱাৰিব যাক নিজৰ জন্ম পোৱা পৰিয়ালত থকাহেঁতেন বিবাহ কৰিব নোৱাৰিলেহেঁতেন ;

(খ) কোনো সম্পত্তি দত্তক গ্ৰহণৰ পূৰ্বে দত্তক সন্তানত ন্যস্ত হলে তাৰ মালিকী স্বত্বত সংযোজিত কোনো দায়িত্ব থাকিলে সেই দায়িত্বাধীনে—যাৰ অন্তৰ্গত তেওঁ জন্ম হোৱা পৰিয়ালৰ আত্মীয় ভৰণ-পোষণ কৰাও পৰিব, সেই সম্পত্তি তেনে সন্তানৰ ওপৰত ন্যস্ত হৈ থাকিব ;

(গ) দত্তক সন্তানে কোনো ব্যক্তিকে দত্তক গ্ৰহণৰ পূৰ্বে তেওঁত ন্যস্ত হোৱা সম্পত্তিৰ পৰা অন্যাস্ত কৰিব নোৱাৰিব।

দত্তক গ্ৰহণ কৰা পিতৃ-মাতৃৰ সম্পত্তি বাসন কৰাৰ অধিকাৰ।

১৩। প্ৰতিকূলে কোনো চুক্তিৰ সাপেক্ষে, দত্তক গ্ৰহণ কৰা পিতৃ-মাতৃক দত্তক গ্ৰহণে নিজৰ সম্পত্তি জীৱিতাৱস্থাত বা উইলৰ দ্বাৰা অন্তৰণ কৰিব পৰা ক্ষমতাৰ পৰা বঞ্চিত নকৰে।

নিৰ্দিষ্ট কিছুমান ক্ষেত্ৰত দত্তক গ্ৰহণকাৰী মাতৃ নিৰ্দ্ধাৰণ।

১৪। (১) যেতিয়া এজন হিন্দুৱে, যাৰ পত্নী জীৱিত আছে, এটা সন্তানক দত্তক গ্ৰহণ কৰে, সেই পত্নীক দত্তক-মাতৃ বুলি গণ্য কৰা হব।

(২) যেতিয়া এগৰাকীতকৈ বেছি পত্নীৰ সন্মতি লৈ দত্তক গ্ৰহণ কৰা হয়, তেওঁলোকৰ মাজত বিবাহানুক্ৰমে জ্যেষ্ঠা গৰাকীক দত্তক-মাতৃ আৰু আন বিলাকক সতীয়া মাতৃ বুলি গণ্য কৰা হব।

(৩) যেতিয়া এজন বিপত্নীক বা অবিবাহিতাই এটা সন্তানক দত্তক গ্ৰহণ কৰে, তত্‌পশ্চাত তেওঁ বিবাহ কৰোৱা কোনো পত্নীক দত্তক সন্তানৰ সতীয়া মাতৃ বুলি গণ্য কৰা হব।

(৪) যেতিয়া এগৰাকী বিধৱা বা অবিবাহিতাই এটা সন্তানক দত্তক গ্ৰহণ কৰে, তত্‌পশ্চাত তেওঁ বিবাহ কৰোৱা কোনো পতিক দত্তক শিশুৰ সতীয়া-পিতৃ বুলি গণ্য কৰা হব।

বিধিমান্য দত্তক গ্ৰহণ ৰদ্দ কৰা নহব।

১৫। বিধিমান্য ভাৱে হোৱা যি কোনো দত্তক গ্ৰহণক দত্তক-পিতৃ বা মাতৃ বা আন কোনো ব্যক্তিয়ে ৰদ্দ কৰিব নোৱাৰিব, নাইবা দত্তক সন্তানে নিজৰ এনে স্থিতিক ত্যাগ কৰিব আৰু জন্ম গ্ৰহণ কৰা পৰিয়াললৈ ঘূৰি যাব নোৱাৰিব।

দত্তক সম্বন্ধীয় পঞ্জীবন্ধ দলিল সম্পৰ্কে ধাৰণা।

১৬। যেতিয়াই তত্‌সময় বলবৎ থকা যি কোনো বিধিৰ অধীনত পঞ্জীবন্ধ আৰু কোনো সম্পন্ন হৈ যোৱা দত্তক গ্ৰহণ অভিলিখিত বুলি তাৎপৰ্যত আৰু সন্তানটোক দত্তক দিয়া আৰু দত্তক লোৱা উভয় ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত কোনো দলিল যি কোনো ন্যায়ালয়ৰ আগত দাখিল কৰা হয় তেতিয়া যদিহে আৰু যি পৰ্যন্ত অপ্ৰমাণিত নহয় তেতিয়ালৈকে সেই ন্যায়ালয়ে এই বুলি ধাৰণা কৰিব যে সেই দত্তক এই অধিনিয়মৰ উপবন্ধ সমূহ অনুপালন কৰিয়েই সম্পন্ন কৰা হৈছে।

নিৰ্দিষ্ট কিছুমান ধন-ৰাশি প্ৰদানত নিষেধ।

১৭। (১) কোনো ব্যক্তিয়ে কোনো ব্যক্তিক দত্তক গ্ৰহণৰ প্ৰতিদান স্বৰূপে কোনো ধনৰাশি বা অন্য পুৰস্কাৰ গ্ৰহণ নকৰিব বা গ্ৰহণ কৰিবলৈ সম্মত নহব, আৰু কোনো ব্যক্তিয়ে আন কোনো ব্যক্তিক এনে কোনো ধনৰাশি বা পুৰস্কাৰ নিদিব বা দিবলৈ সম্মত নহব, যাক গ্ৰহণ কৰাটো এই ধাৰাৰ দ্বাৰা নিষেধ কৰা হৈছে।

(২) যদি ব্যক্তি জনে উপধাৰা (১) ৰ উপবন্ধ উলংঘা কৰে, তেওঁ কাৰাদণ্ডৰে, যি ছয় মাহ পৰ্যন্ত হব পাৰে বা জৰিমনাৰে বা উভয়ৰে দণ্ডনীয় হব।

(৩) ৰাজ্য চৰকাৰ বা এই মৰ্মে ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত বিষয়াৰ পূৰ্ব মঞ্জুৰী বিনা এই ধাৰাৰ অধীনত কোনো গোচৰ ৰুজু কৰিব নোৱাৰিব।

## তৃতীয় অধ্যায়

### ভৰণ-পোষণ

পত্নীৰ ভৰণ-পোষণ।

১৮। (১) এই ধাৰাৰ উপবন্ধৰ অধীনে, এই অধিনিয়ম প্ৰাৰম্ভৰ পূৰ্বে বা পিচত বিবাহ হোৱা এগৰাকী হিন্দু পত্নী নিজৰ জীৱিত কালত পতিৰ পৰা ভৰণ-পোষণ পোৱাৰ হকদাৰ হব।

(২) এগৰাকী হিন্দু পত্নী নিজৰ পতিৰ পৰা পৃথকে নিজৰ ভৰণ-পোষণৰ দাবীৰ পৰা বঞ্চিত নোহোৱাকৈ বাস কৰিব পাৰিব—

(ক) যদি পতি পৰিত্যজনৰ দোষত দোষী হয়, অৰ্থাৎ কোনো যুক্তিসঙ্গত কাৰণ নোহোৱাকৈ আৰু তেওঁৰ সন্মতি নোলোৱাকৈ বা তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁক পৰিত্যাগ কৰাৰ বাবে বা ইচ্ছাকৃত ভাৱে অৱহেলা কৰাৰ বাবে দোষী হয়;

(খ) যদি পতিয়ে তেওঁক এনে নিষ্ঠুৰতাৰে ব্যৱহাৰ কৰে যাৰ ফলত তেওঁৰ মনত পতিৰ লগত বাস কৰাটো অনিষ্টকৰ বা ক্ষতিকৰ হব পাৰে বুলি যুক্তিসঙ্গত আশংকাৰ উদ্ভৱ হয়;

(গ) যদি পতি মাৰাত্মক ধৰণৰ কুষ্ঠৰোগত আক্ৰান্ত হয়;

(ঘ) যদি পতিৰ আন পত্নী জীৱিত থাকে;

(ঙ) যদি পতিয়ে এগৰাকী উপপত্নী তেওঁৰ পত্নী বাস কৰা ঘৰতে ৰাখে বা আন ঠাইত অভ্যাস্তভাৱে এগৰাকী উপপত্নীৰ সৈতে বাস কৰে;

(চ) যদি পতিয়ে আন ধৰ্মলৈ পৰিবৰ্তিত হোৱাৰ বাবে হিন্দু হৈ থকা নাই;

(ছ) যদি তেওঁ পৃথকে বাস কৰাৰ বাবে আন কোনো ন্যায্য কাৰণ আছে;

(৩) এগৰাকী হিন্দু পত্নী, পতিৰ পৰা পৃথক নিবাস আৰু ভৰণ-পোষণৰ বাবে হকদাৰ নহব যদিহে তেওঁ অসতী হয় বা আন ধৰ্মলৈ পৰিবৰ্তিত হোৱাৰ বাবে হিন্দু হৈ থকা নাই।

বিধৱা বোৱাৰীৰ ভৰণ-পোষণ।

১৯। (১) এই অধিনিয়ম প্ৰাৰম্ভৰ পূৰ্বে বা পিচত বিবাহ হোৱা এগৰাকী হিন্দু পত্নী নিজৰ পতিৰ মৃত্যুৰ পিছত শহুৰেকৰ পৰা ভৰণ-পোষণ পাবলৈ হকদাৰ হব:

যদিহে, আৰু যিমান দূৰ তেওঁৰ নিজৰ উপাৰ্জনৰ পৰা বা আন সম্পত্তিৰ পৰা নিজক ভৰণ-পোষণ দিবলৈ অসমৰ্থ হয় বা য'ত তেওঁৰ নিজা সম্পত্তি নাই,—

(ক) পতিৰ বা নিজৰ পিতৃৰ বা মাতৃৰ সম্পত্তিৰ পৰা; বা

(খ) যদি পুত্ৰ-পুত্ৰী আছে তেনে পুত্ৰৰ বা পুত্ৰীৰ পৰা বা তেওঁলোকৰ সম্পত্তিৰ পৰা ভৰণ-পোষণ পাবলৈ অসমৰ্থ হয়।

(২) উপধাৰা (১) ত থকা কোনো বাধ্যতা বলবৎ নহব যদি শহুৰেকৰ নিজৰ দখলত থকা আৰু বোৱাৰীয়েকে অংশ প্ৰাপ্ত নকৰা কোনো সহদায়ী সম্পত্তিৰ পৰা তেনে কৰাৰ উপায় নাথাকে, আৰু বোৱাৰীয়েকৰ পুনৰ বিবাহৰ লগে লগে এনে কোনো বাধ্যতাৰো অন্ত পৰিব।

সন্তান সন্ততিৰ আৰু বয়স্ক পিতৃ-মাতৃৰ ভৰণ-পোষণ।

২০। (১) এই ধাৰাৰ উপবন্ধৰ সাপেক্ষে এজন হিন্দুৱে তেওঁৰ জীৱিত অৱস্থাত, তেওঁৰ বৈধ বা অবৈধ সন্তান-সন্ততিক আৰু বয়স্ক বা দুৰ্বল পিতৃ-মাতৃক ভৰণ-পোষণ দিয়াৰ বাবে বাধ্য।

(২) নাবালক থকা অৱস্থালৈকে এটা বৈধ বা অবৈধ সন্তানে নিজৰ পিতৃ বা মাতৃৰ পৰা ভৰণ-পোষণৰ দাবী কৰিব পাৰিব।

(৩) কোনো এজন ব্যক্তিৰ নিজৰ বয়স্ক বা দুৰ্বল পিতৃ-মাতৃ বা অবিবাহিতা পুত্ৰীক ভৰণ-পোষণ দিয়াৰ দায়িত্ব, সেই পিতৃ-মাতৃ বা অবিবাহিতা পুত্ৰী নিজৰ উপাৰ্জন বা আন সম্পত্তিৰ পৰা নিজৰ ভৰণ-পোষণ দিবলৈ যিমানদূৰ অসমৰ্থ সিমান দূৰহে থাকিব।

স্পষ্টীকৰণ :— এই ধাৰাত 'পিতৃ-মাতৃ'য়ে সন্তানহীন সতীয়া মাতৃকো অন্তৰ্ভুক্ত কৰিছে।

আশ্ৰিতৰ পৰিভাষা নিৰূপণ।

২১। এই অধ্যায়ৰ বাবে "আশ্ৰিত"ই মৃতকৰ নিম্নলিখিত সম্পৰ্কীয় সকলক বুজাব :—

(i) তেওঁৰ পিতৃ ;

(ii) তেওঁৰ মাতৃ ;

(iii) তেওঁৰ বিধৱা পত্নী, পুনৰ বিবাহ নকৰালৈকে ;

(iv) তেওঁৰ পুত্ৰ বা তেওঁৰ পূৰ্ব মৃত পুত্ৰৰ পুত্ৰ বা তেওঁৰ পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ পুত্ৰ—নাবালক থকালৈকে : পৰন্তু নাতিৰ ক্ষেত্ৰত নিজৰ পিতৃ বা মাতৃৰ সম্পত্তিৰ পৰা আৰু পৰিনাতিৰ ক্ষেত্ৰত নিজৰ পিতৃ বা মাতৃৰ বা পিতৃৰ পিতৃ বা পিতৃৰ মাতৃৰ সম্পত্তিৰ পৰা ভৰণ-পোষণ পোৱাৰ বাবে অসমৰ্থ হোৱা পৰ্যন্তহে ;

(v) তেওঁৰ অবিবাহিতা পুত্ৰী বা তেওঁৰ পূৰ্বমৃত পুত্ৰৰ অবিবাহিতা পুত্ৰী বা তেওঁৰ পূৰ্বমৃত পুত্ৰৰ পূৰ্বমৃত পুত্ৰৰ অবিবাহিতা পুত্ৰী—অবিবাহিতা থকালৈকে : পৰন্তু, নাতিনীৰ ক্ষেত্ৰত নিজৰ পিতৃ বা মাতৃৰ সম্পত্তিৰ পৰা আৰু পৰিনাতিনীৰ ক্ষেত্ৰত নিজৰ পিতৃৰ বা মাতৃৰ বা পিতৃৰ পিতৃৰ বা পিতৃৰ মাতৃৰ সম্পত্তিৰ পৰা ভৰণ-পোষণ পোৱাৰ বাবে অসমৰ্থ হোৱা পৰ্যন্তহে ;

(vi) তেওঁৰ বিধৱা পুত্ৰী : পৰন্তু, যি পৰ্যন্ত তেওঁ নিম্নলিখিত সম্পদৰ পৰা ভৰণ-পোষণ প্ৰাপ্ত কৰিবলৈ অসমৰ্থ হয়—

(ক) পতিৰ সম্পত্তিৰ পৰা ; বা

(খ) যদি পুত্ৰ-পুত্ৰী আছে, তেওঁলোকৰ পৰা বা তেনে পুত্ৰৰ বা পুত্ৰীৰ সম্পত্তিৰ পৰা ; বা

(গ) তেওঁৰ শহুৰেকৰ বা তেওঁৰ পিতৃৰ পৰা বা তেওঁলোকৰ যি কোনো এজনৰ সম্পত্তিৰ পৰা ;

(vii) তেওঁৰ পুত্ৰৰ বা তেওঁৰ পূৰ্ব মৃত পুত্ৰৰ কোনো পুত্ৰৰ কোনো বিধৱা পত্নী যেতিয়ালৈকে তেওঁ পুনৰ বিবাহ নকৰায়, পৰন্তু আৰু যি পৰ্যন্ত নিজৰ পতিৰ সম্পত্তিৰ পৰা বা নিজৰ পুত্ৰ-পুত্ৰী থাকিলে পুত্ৰৰ বা পুত্ৰীৰ পৰা, বা তেনে পুত্ৰৰ বা পুত্ৰীৰ সম্পত্তিৰ পৰা ; অথবা

নাতিৰ বিধৱা পত্নীৰ ক্ষেত্ৰত শহুৰেকৰ সম্পত্তিৰ পৰা ভৰণ-পোষণ প্ৰাপ্ত কৰিবলৈ অসমৰ্থ হয় ;

(viii) নাবালক হৈ থকা অৱস্থালৈকে তেওঁৰ অবৈধ পুত্ৰ ;

(ix) অবিবাহিতা হৈ থকা অৱস্থালৈকে তেওঁৰ অবৈধ পুত্ৰী ।

আশ্ৰিতৰ ভৰণ-পোষণ ।

২২। (১) উপধাৰা (২)ৰ উপবন্ধৰ সাপেক্ষে মৃত হিন্দু এজনৰ উত্তৰাধিকাৰী সকলে মৃতকৰ আশ্ৰিত সকলক মৃতকৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পত্তিৰ পৰা ভৰণ-পোষণ দিবলৈ বাধ্য থাকিব ।

(২) এই অধিনিয়মৰ উপবন্ধৰ সাপেক্ষে এই অধিনিয়ম প্ৰাৰম্ভৰ পিছত মৃত্যু হোৱা হিন্দু এজনৰ সম্পত্তিৰ কোনো অংশ যদি এজন আশ্ৰিতই ইচ্ছাপত্ৰৰ দ্বাৰা বা ইচ্ছাপত্ৰবিহীন উত্তৰাধিকাৰ সূত্ৰে প্ৰাপ্ত নকৰে তেনে হলে যি সকলে সেই সম্পত্তি পায় তেওঁলোকৰ পৰা সেই আশ্ৰিতই ভৰণ-পোষণ পোৱাৰ হকদাৰ হব ।

(৩) সম্পত্তি লাভ কৰা প্ৰতিজন ব্যক্তিৰ দায়িত্ব সম্পত্তিটোত তেওঁ পোৱা অংশ বা ভাগৰ মূল্য অনুপাতে হব ।

(৪) উপধাৰা (২) বা উপধাৰা (৩)ত যি কোনো কথা থকা সত্বেও আনৰ ভৰণ-পোষণৰ বাবে বৰঙণি দিবলৈ এনে কোনো ব্যক্তি যি নিজেই এজন আশ্ৰিত, দায়ী নহব যদি তেওঁ পোৱা কোনো অংশৰ বা ভাগৰ মূল্য এই অধিনিয়মৰ অধীনত তেওঁৰ ভৰণ-পোষণৰ বাবে অধিনিৰ্ণীত হব লগীয়া মূল্যতকৈ কম হয় বা বৰঙণি দিয়াৰ দায়িত্ব বলবত কৰিলে কম হব।

ভৰণ-পোষণৰ পৰিমাণ ।

২৩। (১) এই অধিনিয়মৰ উপবন্ধৰ অধীনত কোনো ভৰণ-পোষণ অধিনিৰ্ণীত কৰিব লাগেনে নালাগে আৰু যদি কৰা হয় কিমান পৰিমাণে ভৰণ-পোষণ দিয়া হব সেই বিষয়ে ন্যায়ালয়ে স্ববিবেকানুসৰি নিৰ্ধাৰণ কৰিব, আৰু তাকে কৰোতে ন্যায়ালয়ে যথাস্থিতি উপধাৰা (২) বা উপধাৰা (৩)ত সন্নিবিষ্ট আৱশ্যকতা সমূহৰ প্ৰতি যিমানদূৰ প্ৰযোজ্য হয়, উচিত লক্ষ্য ৰাখিব লাগিব ।

(২) এই অধিনিয়মৰ অধীনত পত্নী, সন্তান-সন্ততি বা বয়স্ক বা দুৰ্বল পিতৃ-মাতৃৰ বাবে যদি ভৰণ-পোষণৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লগীয়া হয়, তেনেহলে নিম্নলিখিত বিষয়ৰ প্ৰতি উচিত লক্ষ্য ৰাখিব লাগিব—

(ক) পক্ষগণৰ স্থিতি আৰু মৰ্যাদাৰ প্ৰতি ;

(খ) দাবীদাৰৰ যুক্তিসংগত অভাৱ অনাটনৰ প্ৰতি ;

(গ) যদি দাবীদাৰ পৃথকে বাস কৰে, দাবীদাৰে তেনে কৰাৰ ন্যায্যতাৰ প্ৰতি ;

(ঘ) দাবীদাৰৰ সম্পত্তিৰ মূল্য আৰু এনে সম্পত্তিৰ পৰা বা দাবীদাৰৰ নিজৰ উপাৰ্জনৰ পৰা বা আন কোনো উৎসৰ পৰা পাব পৰা আয়ৰ প্ৰতি ;

(ঙ) এই অধিনিয়মৰ অধীনত ভৰণ-পোষণৰ বাবে হকদাৰ হোৱা ব্যক্তিৰ সংখ্যাৰ প্ৰতি ।

(৩) এই অধিনিয়মৰ অধীনত এজন আশ্ৰিতৰ বাবে যদি কোনো ভৰণ-পোষণৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলগীয়া হয়, তেনেহলে নিম্নলিখিত বিষয়ৰ প্ৰতি উচিত লক্ষ্য ৰাখিব লাগিব—

(ক) মৃতকৰ ধাৰ পৰিশোধৰ ব্যৱস্থা কৰাৰ পিচত তেওঁৰ সম্পত্তিৰ প্ৰকৃত মূল্যৰ প্ৰতি ;

(খ) মৃতকৰ ইচ্ছা পত্ৰত আশ্ৰিতৰ সম্পৰ্কে যদি কিবা ব্যৱস্থা থাকে তাৰ প্ৰতি ;

(গ) দত্তক গ্ৰহণৰ ভিতৰত সম্বন্ধৰ মাত্ৰাৰ প্ৰতি ;

(ঘ) আশ্ৰিতৰ যুক্তিসঙ্গত অভাৱ অনাটনৰ প্ৰতি ;

(ঙ) আশ্ৰিত আৰু মৃতকৰ পূৰ্ব সম্বন্ধৰ প্ৰতি ;

(চ) আশ্ৰিতৰ সম্পত্তিৰ মূল্য আৰু এনে সম্পত্তিৰ পৰা বা তেওঁৰ উপাৰ্জন বা আন উৎসৰ পৰা উপাৰ্জন কৰা আয়ৰ প্ৰতি ;

(ছ) এই অধিনিয়মৰ অধীনত হকদাৰ হোৱা আশ্ৰিতৰ সংখ্যাৰ প্ৰতি ।

ভৰণ-পোষণৰ দাবীদাৰ হিন্দু হব লাগিব ।

২৪। এই অনুচ্ছেদ অধীনত কোনো ব্যক্তি ভৰণ-পোষণৰ দাবী কৰিবলৈ হকদাৰ নহব, যদি তেওঁ আন ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ বাবে হিন্দু হৈ থকা নাই ।

পৰিস্থিতিৰ সলনি হলে ভৰণ-পোষণৰ পৰিমাণৰ পৰিবৰ্তন হব পাৰে ।

২৫। এই অধিনিয়ম প্ৰাৰম্ভৰ পূৰ্বে বা পিচত ন্যায়ালয়ৰ ডিক্ৰীৰ দ্বাৰাই হওক বা চুক্তিৰ দ্বাৰাই হওক নিশ্চিত কৰা ভৰণ-পোষণৰ পৰিমাণ, পিচত পৰিবৰ্তিত কৰিব পাৰিব, যদিহে পৰিস্থিতিৰ এনে কোনো গুৰুত্বপূৰ্ণ সালসলনি হয় যে এনে পৰিবৰ্তন ন্যায়সঙ্গত বুলি প্ৰতীত হয় ।

ঋণৰ অগ্ৰাধিকাৰ ।

২৬। এই অধিনিয়মৰ ধাৰা ২৭ত সন্নিবিষ্ট উপবন্ধ সাপেক্ষে, মৃতকৰ দ্বাৰা সংবিদাকৃত বা দেয় যি কোনো প্ৰকাৰৰ ঋণে তেওঁৰ আশ্ৰিতৰ ভৰণ-পোষণৰ দাবীতকৈ অগ্ৰাধিকাৰ পাব ।

ভৰণ-পোষণ কেতিয়া ভাৰ হব ।

২৭। এই অধিনিয়মৰ অধীনত এজন আশ্ৰিতৰ ভৰণ-পোষণৰ দাবী মৃতকৰ সম্পত্তি বা তাৰ যি কোনো ভাগৰ ওপৰত ভাৰ নহব যদিহে মৃতকে ইচ্ছাপত্ৰৰ দ্বাৰা বা আদালতৰ ডিক্ৰীৰ দ্বাৰা, আশ্ৰিত আৰু সম্পত্তিৰ বা তাৰ কোনো ভাগৰ মালিকৰ মাজত হোৱা চুক্তিৰ দ্বাৰা অথবা আন কোনো প্ৰকাৰে তেনে ভাৰ সৃষ্টি কৰা নাই ।

ভৰণ-পোষণৰ অধিকাৰত সম্পত্তি অন্তৰণৰ প্ৰভাৱ ।

২৮। যেতিয়া কোনো সম্পত্তিৰ পৰা ভৰণ-পোষণ পাবৰ বাবে এজন আশ্ৰিতৰ অধিকাৰ থাকে আৰু তেনে সম্পত্তি বা তাৰ কোনো ভাগ অন্তৰণ কৰা হয়, তেতিয়া যদি অন্তৰিতীৰ (transferee) তেনে অধিকাৰৰ জাননী থাকে অথবা যদি সেই অন্তৰণ আনুগ্ৰাহিক হয় তেনেহলে ভৰণ-পোষণ পোৱাৰ অধিকাৰ অন্তৰিতীৰ বিৰুদ্ধে বলবৎ হব ; কিন্তু যি অন্তৰিতীয়ে মূল্যৰ বিনিময়ে আৰু সেই অধিকাৰৰ কথা নজনাকৈ অন্তৰণ কৰে তেওঁৰ বিৰুদ্ধে বলবৎ নহব ।

## চতুৰ্থ অধ্যায়

নিৰসন আৰু ব্যাবৃত্তি—

২৯। [নিৰসন] নিৰসন আৰু সংশোধনী অধিনিয়ম, ১৯৬০ (১৯৬০ৰ ৫৮) ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা নিৰসিত ।

ব্যাবৃত্তি ।

৩০। এই অধিনিয়মত অন্তৰ্বিষ্ট কোনো কথাই এই অধিনিয়ম প্ৰাৰম্ভৰ পূৰ্বে কৰা কোনো দত্তক গ্ৰহণক প্ৰভাৱিত নকৰিব, আৰু এনে কোনো দত্তক গ্ৰহণৰ বিধিমান্যতা আৰু প্ৰভাৱ এনে ধৰণে নিৰ্ধাৰণ কৰা হব যেন এই অধিনিয়ম পাৰিত হোৱা নাছিলেই ।

---